**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

---

১। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি শ্ৰীভূমি আৰু কাছাৰ জিলাৰ হিতাধিকাৰীক চেক বিতৰণৰ শুভাৰম্ভ।

২। জুবিন গাৰ্গৰ দুই দেহৰক্ষীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ পৃথকে গোচৰ ৰুজু কৰি বাসগৃহত অভিযান।

৩। জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিস্থলীক লৈ জাৰি কৰা নিৰ্দেশনা আজিৰে পৰা প্ৰযোজ্য।

৪। কাৰ্বি আংলং জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিতে জুবিন গাৰ্গৰ একোটাকৈ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব বুলি তুলিৰাম ৰংহাঙৰ প্ৰকাশ।

*আৰু*

৫। মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীসকলক বীজ মূলধনৰ চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ বক্তব্যত কয়, যে তৃণমূল স্তৰৰ মহিলা উদ্যমীসকলৰ সবলীকৰণ আৰু ৰাজ্যৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে এই অভিনৱ উদ্যোগ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে এই পৰিকল্পনাৰ জৰিয়তে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰায় ৩২ লাখতকৈও অধিক মহিলা উদ্যোগীয়ে আৰ্থিক সাহায্য লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে, এই মহিলাসকলে কৃষি, পশুপালন, হস্ততাঁত আৰু বস্ত্ৰশিল্প আদি বিভিন্ন ক্ষেত্ৰত উদ্যোগ স্থাপন কৰি গ্ৰামীণ অৰ্থনীতি শক্তিশালী কৰি তুলিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ মুঠ ১৮ হাজাৰ ৭৪৫ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়।

ইপিনে, শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শিলচৰ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৩ হাজাৰ ১৯৩ গৰাকী মহিলাক চেক বিতৰণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

বাইট

মুখ্যমন্ত্ৰীগৰাকীয়ে মহিলাসকলক সম্বোধন কৰি কয় যে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ কৰাৰ বাবে চৰকাৰে কাম কৰি আছে। বৰ্তমান যিসকলে ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰি আছে আৰু ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰিলে তেওঁলোকৰ সাহায্য ভৱিষ্যতে ২৫ হাজাৰ টকাৰ পৰা ৫০ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইপিনে শিলচৰৰ ৩ হাজাৰ নতুন হিতাধিকাৰীক অৰুণোদয় আচনিৰ অধীনত অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মহিলা সৱলীকৰণ সন্দৰ্ভত তেওঁ কয় যে যদি এজন পুৰুষে এগৰাকীতকৈ অধিক মহিলাৰ সৈতে বিবাহত আৱদ্ধ হয় তেন্তে তেনে ব্যক্তিক ৭ বছৰৰ কাৰাদণ্ড দিয়া হ'ব। অহা বছৰ এই সন্দৰ্ভত এখন বিধেয়ক বিধানসভাত অনা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ৰাজ্যত মহিলা সংক্ৰান্তীয় অপৰাধ ডেৰ লাখৰ পৰা ৪০ হাজাৰলৈ হ্ৰাস পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে লাভ কৰা এয়া এক অন্য সফলতা। ইয়াৰোপৰি দিল্লী, কোলকাতা আৰু চেন্নাইত বৰাক ভৱন নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। য'ত ৰাজ্যৰ ৰোগীয়ে চিকিৎসাৰ সময়ত তাত থাকিব পাৰিব।

অনুষ্ঠানৰ অন্তত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সম্পৰ্কে সংবাদ মাধ্যমক সম্বোধন কৰি যে, এই বিষয়টোত কোনো ধৰণৰ ৰাজনীতি কৰা উচিত নহয়। বিৰোধী দল বা আন কোনো সংগঠনে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত প্ৰতিবাদ কৰিলে চৰকাৰে প্ৰতিবাদকাৰীৰ দাবী বিবেচনা কৰিব বুলিও ডঃ শৰ্মাই স্পষ্ট কৰি দিয়ে।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা এছ আই টিৰ মুৰব্বী তথা অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা আৰু তৰুণ গোৱেল কালি গুৱাহাটীলৈ উভতি আহে। ছিংগাপুৰ ভ্ৰমণ তথা এছ আই টিৰ তদন্তৰ অগ্ৰগতি সন্দৰ্ভত আজি এখন সংবাদ মেল সম্বোধন কৰি মুন্না প্ৰসাদ গুপ্তাই কয়, যে তেওঁলোকে ২০ অক্টোবৰত ছিংগাপুৰত থকা উচ্চ আয়ুক্তৰ সৈতে বৈঠকত মিলিত হৈছিল। ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীৰ পাঁচজনীয়া এটা দলৰ সৈতে বৈঠকত মিলিত হৈ তদন্তৰ তথ্য বিনিময় কৰা বুলিও এছ আই টিৰ মুৰব্বীগৰাকীয়ে প্ৰকাশ কৰে। ছিংগাপুৰ আৰক্ষীয়ে আইনী প্ৰক্ৰিয়াৰ জৰিয়তে এছ আই টি তদন্তৰ তথ্যসমূহ প্ৰদান কৰাৰ আশ্বাস দিয়ে বুলিও তেওঁ কয়। এছ আই টিৰ দলটোৱে ছিংগাপুৰৰ ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে জুবিন গাৰ্গ থকা হোটেলৰ চিচি টিভি ফুটেজ দিবলৈ ছিংগাপুৰ আৰক্ষীক অনুৰোধ জনায়। প্ৰয়োজনত ঘটনাৰ দিনা য়টত থকা প্ৰবাসী অসমীয়াসকলক পুনৰ তলব কৰা হ'ব বুলিও মুন্না প্ৰসাদ গুপ্তাই জনায়। একেখন সংবাদমেলতে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে মৃত্যুৰ আগৰ পাঁচ-ছয় দিনত জুবিন গাৰ্গে বাৰ্তা প্ৰেৰণ কৰা কোনো লোকৰ হাতত কিবা তথ্য থাকিলে এছ আই টিক জনাবলৈ আহ্বান জনায়।

(বাইট ঃ মুন্না)

মুন্না প্ৰসাদ গুপ্তাই জনোৱা অনুসৰি জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে এই পৰ্যন্ত প্ৰায় ৭০ জন লোকৰ ভাষ্য গ্ৰহণ কৰিছে। আজি চি আই ডি কাৰ্যালয়লৈ প্ৰথমবাৰৰ বাবে গৈ গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰে ভাষ্য প্ৰদান কৰে। আজিৰ দিনটোতে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ দুই ব্যৱসায়ী অংশীদাৰকো এছ আই টিয়ে সোধাপোছা কৰে।

আনহাতে জুবিন গাৰ্গৰ দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বৰুদ্ধে মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণ বিভাগে দুটাকৈ পৃথক পৃথক গোচৰ ৰুজু কৰিছে। এই গোচৰৰ ভিত্তিত নন্দেশ্বৰ বৰাৰ  নগাঁৱৰ নৈনে আৰু  পৰেশ বৈশ্যৰ হাজোৰ বাসগৃহত পৃথকে পৃথকে মুখ্যমন্ত্ৰী তদাৰকী কোষে অভিযান চলায়।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিস্থলীক লৈ জাৰি কৰা নিৰ্দেশনা আজিৰে পৰা প্ৰযোজ্য হৈছে। ডিমৰীয়া সম-জিলাৰ আয়ুক্ত বিশ্বজিৎ শইকীয়াই এই সন্দৰ্ভত কয়, যে জুবিন গাৰ্গৰ সমাধিস্থলীৰ পৱিত্ৰতা আৰু শৃংখলা বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নিৰ্দেশ অনুসৰি পুৱা ছয় বজাৰ পৰা নিশা ১০ বজালৈহে দৰ্শনাৰ্থীয়ে সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। সেই অনুসৰি আজি নিশা ১০ বজাৰ পাছত সমাধিস্থলীৰ প্ৰৱেশদ্বাৰ বন্ধ থাকিব বুলি ডিমৰীয়া সম-জিলাৰ আয়ুক্তগৰাকীয়ে কয়।

*(বাইট)*

০০০০

কাৰ্বি আংলং জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ একোটাকৈ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি অনুষ্ঠিত কাৰ্বি আংলং স্বায়ত্ব পৰিষদৰ এদিনীয়া অধিৱেশনত এই কথা প্ৰকাশ কৰে। আজি সদনৰ আৰম্ভণিতে এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। আজিৰ অধিৱেশনতে পৰিষদৰ কাৰ্যবাহী সমিতিৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ সদনত আলোচনাৰ বাবে দাখিল কৰা হয়। মুখ্যকাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ভূমি বিভাগৰ আৰ্থিক নাটনি পূৰণ কৰিবলৈ সদনত দাখিল কৰা পৰিপূৰক বাজেট গৃহীত হয়।

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০  দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি বঙাইগাঁৱত অনুষ্ঠিত ২০২৫-২৬ বৰ্ষৰ প্ৰথমখন অসম গ্ৰন্থমেলাত কিতাপৰ বিক্ৰী আশাব্যঞ্জক হৈছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশ আৰু

বিক্ৰেতা সন্থাই বঙাইগাঁৱৰ গান্ধী মৈদানত ৮ দিনীয়াকৈ আয়োজন কৰা গ্ৰন্থমেলাৰ আজি তৃতীয় দিন। প্ৰথম তিনিটা দিনৰ কিতাপ বিক্ৰীয়ে গ্ৰন্থমেলাত অংশগ্ৰহণ কৰা প্ৰকাশক তথা বিক্ৰেতা গোষ্ঠীসমূহ উৎসাহিত হোৱা বুলি প্ৰকাশ কৰিছে। গ্ৰন্থমেলাৰ বাকৰিত আজি বিয়লি জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত লেখক-পাঠকৰ আড্ডা অনুষ্ঠিত হয়। অনুষ্ঠানটো উদ্বোধন কৰে বিশিষ্ট সাংবাদিক দিলীপ চন্দনে। উদ্বোধনী ভাষণত তেওঁ কয়, যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই ৰাজ্যখনৰ বিভিন্ন স্থানত অসম গ্ৰন্থমেলা আয়োজন কৰি ৰাজ্যৰ বৌদ্ধিক আন্দোলনটোক নতুন গতি প্ৰদান কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানটোত বহু ন-পুৰণি লেখক-লেখিকাৰ লগতে পঢ়ুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত তেতিয়াৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ পুৰণি প্ৰসূতি কক্ষ এটাক উন্নীত কৰা হৈছিল এটা টেলিভিছনৰ ষ্টুডিঅ'লৈ। এয়াই আছিল গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ আৰম্ভণি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে টেলিভি ছনৰ বাতৰি প্ৰচাৰ আৰম্ভ হৈছিল। বহু ঘটনাৰ সাক্ষী এই গুৱাহাটী দূৰদৰ্শনৰ বাতৰি বিভাগ।

প্ৰম

কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানৰো বিষয় এই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ইয়াত লগ পাব বাতৰি বিভাগৰ জন্ম লগ্নৰ পৰা জড়িত কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ একাংশ হোটেল, ৰেষ্টুৰেণ্ট আদিত প্ৰশাসনৰ অভিযান চলে। অভিযানকাৰী এটা দলে হোটেল ৰেষ্টুৰেণ্টসমূহৰ চাফ-চিকুণতা, খাদ্যবস্তু, মিঠাই আদি প্ৰস্তুত কৰা আৰু ৰখা ঠাইৰ পৰিষ্কাৰ পৰিচ্ছন্নতা নিৰীক্ষণৰ লগতে ট্ৰেড অনুজ্ঞাপত্ৰ আৰু খাদ্য অনুজ্ঞাপত্ৰৰ নিৰীক্ষণ কৰে। দলটোত জিলা অতিৰিক্ত আয়ুক্ত, জিলা খাদ্য সুৰক্ষা বিষয়া, লংকা পৌৰসভাৰ কাৰ্যবাহী বিষয়াসহ আৰক্ষীৰ লোক উপস্থিত থাকে। লংকা চহৰৰ একাংশ হোটেল ৰেষ্টুৰেণ্টত চলোৱা এই অভিযানত কেইবাখনো হোটেলে চাফ-চিকুণতা বৰ্তাই নৰখাটো পৰিলক্ষিত হয়। সেয়ে কৰ্তৃপক্ষই তেনে হোটেল ৰেষ্টুৰেণ্টৰ স্বত্তাধিকাৰী উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অভিযানকাৰী দলটোৱে সকিয়াই দিয়ে।

০০০০

ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উদযাপন উপলক্ষে আজি হোজাই জিলা আয়ুক্তৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাত হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, হোজাই জিলা পৰিষদৰ অধ্যক্ষ, হোজাই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে জিলাখনৰ আৰক্ষী আৰু প্ৰশাসনৰ অন্যান্য শীৰ্ষ স্থানীয় বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০

তামুলপুৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত আজি এখন দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ সহযোগত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জিলাখনৰ সকলো স্কুল কৰ্তৃপক্ষক সামৰি বিদ্যালয়ৰ সুৰক্ষা আৰু দুৰ্যোগৰ প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰে। বিশেষকৈ ভূমিকম্প আৰু অগ্নিকাণ্ডৰ সময়ত লবলগীয়া সাৱধানতা সন্দৰ্ভত অনুশীলন কৰা হ'ব। অহা ২৯ অক্টোবৰত পুৰা জিলাখনৰ ৪১ খন স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত ভূমিকম্প আৰু অগ্নিনিৰ্বাপন সন্দৰ্ভত অনুশীলন অৰ্থাৎ মকড্ৰিল অনুষ্ঠিত হ'ব। এই অনুশীলনে ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি ৰাইজক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত বিশেষকৈ সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০

মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলম্বোত অনুষ্ঠিত খেলখনত শ্ৰীলংকাই টছট জয়লাভ কৰি প্ৰথমে বেটিং কৰিবৰ বাবে পাকিস্তানক আমন্ত্ৰণ জনায়। বৰষুণৰ বাবে নিৰ্ধাৰিত সময়তকৈ পমলকৈ অনুষ্ঠিত হোৱা খেলখন ৩৪ অভাৰলৈ হ্ৰাস কৰা হৈছে। বাতৰি যুগুটোৱাৰ পৰলৈকে পাকিস্তানে চাৰি অভাৰ ২ টা বলত এটাও উইকেট নেহেৰুৱাকৈ ১৬ ৰান সংগ্ৰহ কৰিছে।

০০০০

যোৰহাট জিলা ক্ৰীড়া সন্থাৰ ২০২৫ বৰ্ষৰ বি ডিভিজন লীগ আজিৰ পৰা আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলা পৰিবহন বিষয়া ধনঞ্জয় শইকীয়াই অংশগ্ৰহণ কৰি খেলখনৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ